# Research and Development Cell
# L. T. K. College
## PO: Azad, North Lakhimpur, Pin: 787031

***Sahitya: Chintan aru Monon***

**(Literature: Thinking and Discerning)**

A literary seminar in Assamese language

Date: 27/11/2021






এল টি কে কলেজত সাহিত্যানুষ্ঠান সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ, লখিমপুৰ, ২৯ নৱেম্বৰ ঃ ইংৰাজী ২৭ নৱেম্বৰ, ২০২১ তাৰিখে এল টি কে কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত সাহিত্য বিষয়ক মনোজ্ঞ অনুষ্ঠান 'সাহিত্য ঃ চিন্তন আৰু মনন' শীৰ্ষক অনুষ্ঠানটি সফলভাৱে সম্পন্ন হৈ যায়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক আৰু 'প্ৰকাশ' আলোচনীৰ সহযোগী সম্পাদক গীতালি

৮ পৃষ্ঠাত

এল টি কে কলেজত

বৰা, বিশিষ্ট প্ৰবন্ধকাৰ, সমালোচক, অনুবাদক ড° অৰিন্দম শৰ্মা আৰু নিবন্ধকাৰ, মননশীল লেখক অৰ্ণৱ শইকীয়া। মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা অনুষ্ঠানটি মহাবিদ্যালয় সংগীতেৰে আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াই অতিথিসকলক উদ্দেশ্যি লিখিত আদৰণি ভাষণ প্ৰেৰণ কৰে। তেওঁৰ অনুপস্থিতিত ভাষণটি পাঠ কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ভাস্কৰজিৎ বৰাই। সমল ব্যক্তি গীতালি বৰাই 'সাহিত্য ঃ সৃষ্টি আৰু নেপথ্য' বিষয়ত আলোচনা আগবঢ়ায়। 'মা নিষাদ'ৰ সৃষ্টিৰ যন্ত্ৰণাৰ কথা তেওঁ পোনতে উল্লেখ কৰে। সাহিত্যত কেনেদৰে একোটা বিষয় প্ৰাণৱন্ত, মৰ্মস্পৰ্শী হৈ উঠে সেই দিশত তেওঁ আলোকপাত কৰে। তাকে কৰোঁতে তেওঁ বিশ্বৰ পৰিপ্ৰেক্ষাৰ পৰা সাম্প্ৰতিক অসমীয়া লেখকৰ সৃজনীশীল সক্ষমতা, চিন্তা আৰু সৃষ্টিৰ নেপথ্যৰ কথা মনত লগাকৈ উপস্থাপন কৰে। ড° অৰিন্দম শৰ্মাই 'আধুনিক কবিতা ঃ পঠন আৰু মূল্যায়ন' শীৰ্ষক বিষয়ত আলোচনা আগবঢ়ায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কবিতা পঢ়াৰ আকৰ্ষণীয় কৌশল দেখুৱায়। কবিতা কেনেদৰে নিৰ্মাণ কৰা হয়, কবিতা পঢ়াৰ বাবে মানসিক আধাৰ, কেনেদৰে তাৰ অৰ্থোদ্ধাৰ কৰিব পাৰি সেয়া দৃষ্টিগোচৰ কৰে। তাকে কৰোঁতে তেওঁ অসমীয়া কবিতাৰ পৰা আৰম্ভ কৰি নাগালেণ্ড, ইৰাকী, জাপানী, আমেৰিকান আদি ভালেমান দেশৰ কবিতাৰ আৰ্হি দেখুৱায়। অৰ্ণৱ শইকীয়াই 'কিতাপ ঃ জীৱনৰ বাবে, সপোনৰ বাবে' বিষয়ত কিতাপ পঠনে কেনেদৰে মানুহক সমৃদ্ধ কৰে সেই বিষয়ে অৱগত কৰে। এই সন্দৰ্ভত তেওঁ বিশ্ব সাহিত্যত স্বকীয় চিন্তা আৰু পৰিচয়েৰে খোপনি পুতিবলৈ সক্ষম হোৱা বিখ্যাত সাহিত্যিক, শিল্পীসকলৰ উদাহৰণ দাঙি ধৰি উপস্থিত দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হয়। তেওঁ লগতে কিতাপকে জীৱনৰ সাৰথি কৰি ল'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। তেওঁ কয়—কিতাপে জীৱনক সুখ আৰু শান্তি প্ৰদান কৰে। অনুষ্ঠানটোৰ আঁত ধৰে অনুষ্ঠানৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ৰণদ্বীপ বড়াই। অনুষ্ঠানটোত শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ

A literary seminar titled ***Sahitya: Chintan aru Monon*** **(Literature: Thinking and Discerning)** in Assamese language was held on 27/11/2021. Three prominent authors of Assamese language participated as the resource persons: Gitali Borah, a novelist and the editor of the prominent literary magazine *Prakash*; Dr Arindam Sarmah, a columnist and critic; and Arnab Saikia, an acclaimed writer.

L. T. K. College Azad
Estd 1977
North Lakhimpur

Principal
L. T. K. College, Azad
North lakhimpur